# ডিগবৈ মহাবিদ্যালয় সঙ্গীত

ৰচনা: ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ: ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
আন্ধাৰ নাশৰ এটি স্বপ্ন ॥

এখন ছবি এয়া বহুতো ৰঙৰ,
বহুজনৰ আৰু বহুতো প্ৰাণৰ।
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ॥

সূৰুযমুখী আমাৰ এই মন
উৰ্দ্ধমুখী আমাৰ এই মন
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ॥

মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ॥

ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ – মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ ॥

***************